**NSD NEWS UNIT**
AKASHVANI GUWAHATI
0000000000

**Date : 11-08-2026**
**Time : 19-10 Hrs**

# ASSAMESE EVENING BULLETIN

১। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে পৰহিলৈ ২০২৪ আৰু ২০২৫ বৰ্ষৰ সংগীত নাটক অকাডেমী ফেল'শ্বিপ আৰু বঁটা প্ৰদান কৰিব।

২। সংসদত আজি ন্যায়াধীকৰণ সংশোধনী বিধেয়ক ২০২৬ গৃহীত হয়।

৩। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে দেশৰ জনসাধাৰণক সমাগত স্বাধীনতা দিৱস আড়ম্বৰপূৰ্ণভাৱে উদযাপন কৰিবলৈ আহ্বান জনাইছে।

৪। ভাৰতে আজি পুনৰ এইবুলি স্পষ্ট কৰি দিছে যে অৰুণাচল প্ৰদেশ ভাৰতৰ এক অবিচ্ছেদ্য অংগ আৰু কোনো পৰিস্থিতিয়ে এই সত্য সলনি কৰিব নোৱাৰে। *আৰু*

৫। পাকিস্তান অধিকৃত জম্মু-কাশ্মীৰত পাকিস্তানৰ পৃষ্ঠপোষকতাত চলি থকা সন্ত্ৰাসবাদৰ বিৰুদ্ধে অহা ১৩ আগষ্টৰ পৰা বিশ্বজুৰি প্ৰতিবাদ সাব্যস্ত কৰা হ'ব।

ooooo

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰুপদী মুৰ্মুৱে পৰহিলৈ নতুন দিল্লীৰ বিজ্ঞান ভৱনত **১১৫** গৰাকী শিল্পীক 2024 আৰু ২০২৫ বৰ্ষৰ সংগীত নাটক অকাডেমী ফেল'শ্বিপ আৰু বঁটাসমূহ প্ৰদান কৰিব। এই অনুষ্ঠানত সংস্কৃতি আৰু পৰ্যটন ৰাজ্য মন্ত্ৰী গজেন্দ্ৰ সিং শ্বেখাৱত আৰু সংস্কৃতি ৰাজ্য মন্ত্ৰী ৰাও ইন্দেৰজিত সিং উপস্থিত থাকিব।

সংস্কৃতি মন্ত্ৰালয়ে প্ৰকাশ কৰা অনুসৰি, এই ফেল'শ্বিপ আৰু বঁটাৰ বাবে দেশৰ বিভিন্ন ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলৰ সংগীত, নৃত্য, নাট, লোক আৰু জনজাতি কলা, পুতলা নাচ, আদি বিভিন্ন ক্ষেত্ৰৰ শিল্পীক বাচনি কৰা হৈছে।

ooooo

সংসদত আজি ন্যায়াধীকৰণ সংশোধনী বিধেয়ক ২০২৬ গৃহীত হৈছে। ইয়াৰ পূৰ্বে আজি ৰাজ্যসভাত এই বিধেয়কখনত অনুমোদন জনোৱা হয়। আজি দুবাৰকৈ সদনৰ কাম-কাজ স্থগিত হোৱাৰ পাছত বিয়লি ২ বজাত সদন পুনৰ মিলিত হোৱাৰ সময়ত কেন্দ্ৰীয় আইন আৰু ন্যায় ৰাজ্যমন্ত্ৰী অৰ্জুন ৰাম মেঘৱালে বিধেয়কখন উত্থাপন কৰে। বিধেয়কখনৰ উদ্দেশ্য হৈছে কাৰ্যদক্ষতা বৃদ্ধি কৰা, স্বচ্ছতা নিশ্চিত কৰা আৰু বিভিন্ন ন্যায়াধীকৰণৰ অধ্যক্ষ তথা সদস্যসকলৰ অৰ্হতা তথা প্ৰশাসন আৰু কাৰ্যপ্ৰণালীৰ ক্ষমতা বৃদ্ধি কৰা। বিধেয়কখনত লগতে এখন ৰাষ্ট্ৰীয় ন্যায়াধীকৰণ আয়োগ গঠনৰো প্ৰস্তাৱ আছে।

বিধেয়কখনৰ সন্দৰ্ভত হোৱা আলোচনাৰ উত্তৰত শ্ৰীমেঘৱালে কয় যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত চৰকাৰে ২০১৫ চনতে ন্যায়াধীকৰণসমূহৰ শিথিলকৰণ প্ৰক্ৰিয়া আৰম্ভ কৰিছিল। ন্যায়াধীকৰণ সংশোধনী বিধেয়ক ২০২৬ ৰ উদ্দেশ্য হৈছে এটা আধুনিক, স্বাধীন আৰু উমৈহতীয়া ন্যায়াধীকৰণ পৰিবেশতন্ত্ৰ গঢ়ি তোলা।

মন্ত্রীগৰাকীয়ে কয় যে নতুন বিধেয়কখনত এখন ৰাষ্ট্ৰীয় ন্যায়াধীকৰণ আয়োগ গঠনৰো ব্যৱস্থা আছে আৰু উচ্চতম ন্যায়ালয়ৰ প্ৰাক্তন ন্যায়াধীশ অথবা কোনো উচ্চ ন্যায়ালয়ৰ প্ৰাক্তন মুখ্য ন্যায়াধীশ এই আয়োগৰ অধ্যক্ষ হ'ব। ন্যায় প্ৰদানৰ সূচলতাৰ লগতে ব্যৱসায়ত সূচলতা অনাৰ ক্ষেত্ৰত এই সংশোধন এটা গুৰুত্বপূৰ্ণ মাইলৰ খুটি হিচাপে বিবেচিত হৈছে। তেওঁ কয় যে এই বিধেয়কখনে দেশত আইনী আৰু প্ৰতিষ্ঠানগত স্থাপত্য শক্তিশালী কৰাৰ লগতে ন্যায় প্ৰদান প্ৰক্ৰিয়া সহজ আৰু দ্ৰুত কৰাত সহায় কৰিব।

বাইট-মেঘৱাল

ইয়াৰ পূৰ্বে এই সন্দৰ্ভত হোৱা আলোচনাত ভাগ লৈ বিজেপিৰ সুভাষ বৰলাই বিধেয়কখনৰ প্ৰতি সমৰ্থন জনাই কয়, যে বিধেয়কখনে কেৱল ন্যায়াধীকৰণসমূহৰ প্ৰশাসনিক কাম-কাজৰ পৰিৱৰ্তন অনাই নহয়, বৰং নিকা আৰু দ্ৰুত ন্যায় প্ৰদানত সহায় কৰিব।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে দেশৰ জনসাধাৰণক সমাগত স্বাধীনতা দিৱস উপলক্ষে ভাৰতক এখন বিকশিত দেশ হিচাপে গঢ়ি তোলাৰ সংকল্প গ্ৰহণ কৰি এই উৎসৱ আড়ম্বৰপূৰ্ণভাৱে উদযাপন কৰিবলৈ আহ্বান জনাইছে। সামাজিক মাধ্যমযোগে প্ৰচাৰিত এটা ভিডিঅ'ত প্ৰধানমন্ত্ৰীয়ে প্ৰতিজন নাগৰিকক ঐক্যবদ্ধ হৈ ভাৰতৰ স্বাধীনতা সংগ্ৰামৰ সেনানীসকললৈ শ্ৰদ্ধাৰ্ঘ্য অৰ্পণ কৰিবলৈও আহ্বান জনায়। তেওঁ লগতে হৰ ঘৰ তিৰংগা কাৰ্যসূচীৰ অংশ হিচাপে দেশৰ প্ৰতিখন ঘৰতে স্বাধীনতা দিৱসৰ দিনা ত্ৰিৰংগ পতাকা উত্তোলন কৰিবলৈও অনুৰোধ জনায়।

০০০০০

ভাৰতে আজি পুনৰ এইবুলি স্পষ্ট কৰি দিছে যে অৰুণাচল প্ৰদেশ ভাৰতৰ এক অবিচ্ছেদ্য অংগ আৰু কোনো পৰিস্থিতিয়ে এই সত্যক সলনি কৰিব নোৱাৰে। নতুন দিল্লীত আজি সাংবাদিকৰ সৈতে হোৱা কথা বতৰাত বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ৰ মুখপাত্ৰ ৰণধীৰ জয়ছোৱালে কয় যে ভাৰত আৰু চীনৰ মাজত সীমান্তৰ সৈতে জড়িত বিষয় সন্দৰ্ভত হোৱা আলোচনাত ভাৰতে প্ৰতিবাৰেই এই বিষয়টোক অত্যন্ত সংবেদনশীল বুলি গুৰুত্ব আৰোপ কৰি আহিছে। তেওঁ কয় যে সীমান্তৱৰ্তী অঞ্চলসমূহত শান্তি আৰু সুস্থিৰতা বৰ্তাই ৰখাতো দেশৰ বাবে অত্যন্ত গুৰুত্বপূৰ্ণ বিষয়। শ্ৰীজয়ছোৱালে কয় যে ভাৰতে বাংলাদেশৰ প্ৰধানমন্ত্ৰী তাৰিক ৰহমানক দ্বিপাক্ষিক ভ্ৰমণৰ লগতে নতুন দিল্লীত আয়োজিত ব্ৰীকচ জনসম্পৰ্কৰক্ষী অধিবেশনৰ বাবে নিমন্ত্ৰণ প্ৰেৰণ কৰিছে। তেওঁ লগতে কয়, যে ভাৰতীয় উচ্চায়ুক্তই কালি বাংলাদেশৰ প্ৰধানমন্ত্ৰীৰ সৈতে এখন বৈঠকত মিলিত হয় আৰু দুয়োগৰাকী নেতাই পাৰস্পৰিক স্বাৰ্থজড়িত বিভিন্ন বিষয় সন্দৰ্ভত বিতংভাৱে আলোচনা কৰে।

০০০০০

পাকিস্তান অধিকৃত জম্মু-কাশ্মীৰত পাকিস্তানৰ পৃষ্ঠপোষকতাত চলি থকা সন্ত্ৰাসবাদৰ বিৰুদ্ধে অহা ১৩ আগষ্টৰ পৰা বিশ্বজুৰি প্ৰতিবাদ সাব্যস্ত কৰা হ'ব। আবামী একচন কমিটি চমুকৈ এ এ চিয়ে বিশ্বৰ বিভিন্ন প্ৰান্তত বাস কৰা কাশ্মীৰী লোকসকলক সমদল উলিয়াবলৈ আৰু পাক অধিকৃত জম্মু কাশ্মীৰত জনসাধাৰণৰ বিৰুদ্ধে পাকিস্তানী সংগঠনে চলাই থকা বল প্ৰয়োগৰ ঘটনা সন্দৰ্ভত আন্তৰাষ্ট্ৰীয় সম্প্ৰদায়ৰ দৃষ্টি আকৰ্ষণ কৰিবলৈ আহ্বান জনাইছে। পাকিস্তানৰ স্বাধীনতা দিৱসৰ সৈতে সংগতি ৰাখি এ এ চিয়ে ১৪ আগষ্টৰ দিনটো কলা দিৱস হিচাপে পালন কৰিবলৈ সিদ্ধান্ত গ্ৰহণ কৰিছে। উল্লেখযোগ্য যে দুমাহতকৈ অধিক সময় ধৰি এই প্ৰতিবাদ অব্যাহত আছে যদিও এতিয়ালৈকে কোনো সমাধানসূত্ৰ ওলোৱা নাই। প্ৰতিবাদকাৰীসকলে অভিযোগ কৰা অনুসৰি নিৰাপত্তা বাহিনীৰ হাতত ৬০ জনতকৈ অধিক লোকে প্ৰাণ হেৰুওৱাৰ লগতে ৫ শৰো অধিক লোক আঘাতপ্ৰাপ্ত হৈছে। অঞ্চলটোত বলপূৰ্বকভাৱে গ্ৰেপ্তাৰ কৰা অথবা সন্ধানহীন হোৱাৰ বাতৰিক লৈও উদ্বেগ বৃদ্ধি পাইছে। এ এ চিয়ে প্ৰকাশ কৰা অনুসৰি বিভিন্ন দেশত থকা পাকিস্তানী দূতাবাস আৰু কূটনৈতিক মিছনসমূহৰ বাহিৰত বিক্ষোভ প্ৰদৰ্শনৰ পৰিকল্পনা কৰা হৈছে।

০০০০০

কংগোৰ ইব'লা ভাইৰাছত মৃত্যু হোৱা লোকৰ সংখ্যা দুহেজাৰ অতিক্ৰম কৰিছে। যোৱা নিশা প্ৰকাশিত চৰকাৰী তথ্য অনুসৰি এতিয়ালৈকে ৪ হাজাৰ ৩৮১ গৰাকী লোক এই ভাইৰাছৰ দ্বাৰা আক্ৰান্ত হৈছে। ইয়াৰে দুহেজাৰ ১১ গৰাকী লোকৰ মৃত্যু হোৱাৰ লগতে ৭০৪ গৰাকী ৰোগী আচুতীয়াকৈ চিকিৎসা সেৱা প্ৰদান কৰি থকা হৈছে। পথৰ দুৰৱস্থা আৰু অন্যান্য বিভিন্ন আনুসংগিক কাৰণত স্বাস্থ্য কৰ্মীসকলে এই ভাইৰাছৰ দ্বাৰা প্ৰভাৱিত ভিতৰুৱা অঞ্চলসমূহলৈ গৈ চিকিৎসা সেৱা প্ৰদানত যথেষ্ট আহুকালৰ সন্মুখীন হৈছে। উল্লেখযোগ্য যে ইবলা ভাইৰাছৰ সংক্ৰমণ এই পৰ্যন্ত দ্বিতীয় সৰ্ববৃহৎ সংক্ৰমণ হিচাপে বিবেচিত হৈছে।

00000

চিৰিয়াৰ এখন আদালতে দেশখনৰ প্ৰাক্তন ৰাষ্ট্ৰপতি বাশ্বাৰ আল-আছাদ আৰু কেইবাগৰাকী প্ৰাক্তন বিষয়াক মানৱতাৰ বিৰুদ্ধে অপৰাধ, পূৰ্বপৰিকল্পিত হত্যা আৰু নিৰ্যাতন আদিৰ দৰে অপৰাধৰ অভিযোগত মৃত্যুদণ্ড বিহিছে। চিৰিয়াৰ ৰাজ্যিক সংবাদ সংস্থাৰ মতে, ন্যায়াধীশ ফখৰ আল-দীন আল-আৰিয়ানে কয় যে আছাদক দেশখনৰ সৰ্বোচ্চ সিদ্ধান্ত গ্ৰহণকাৰী হিচাপে আৰু বিভিন্ন আইন তথা নিয়ম আদি উলংঘনসমূহৰ বাবে ৰাজ্যিক প্ৰতিষ্ঠানসমূহক আদেশ দিয়াৰ অপৰাধত দোষী সাব্যস্ত কৰা হৈছে। তেওঁৰ সম্পৰ্কীয় ভাতৃ আটিফ নাজিব আৰু আন কেইবাগৰাকী প্ৰাক্তন বিষয়াকো মৃত্যুদণ্ডৰে দণ্ডিত কৰা হৈছে। উল্লেখযোগ্য যে, ২০২৪ চনৰ ৮ ডিচেম্বৰত হায়াত তাহৰিৰ অল-শ্বাম আৰু অন্যান্য সহযোগী সশস্ত্ৰ গোটে চলোৱা ১২ দিনীয়া অভিযানৰ পাছত আছাদৰ চৰকাৰৰ পতন ঘটিছিল আৰু ইয়াৰ পাছতেই আছাদ আৰু তেওঁৰ পৰিয়াল মস্কোলৈ পলায়ন কৰিছিল।

00000

মহিলা আৰু শিশু বিকাশ মন্ত্ৰী অন্নপূৰ্ণা দেৱীয়ে নতুন দিল্লীত আজি লাইবেৰীয়া গণৰাজ্যৰ সংসদীয় প্ৰতিনিধিৰ এটা দলক সাক্ষাৎ কৰে। এই দলটোত লাইবেৰীয়াৰ ৰাজ্যসভাৰ কেইবাজনো সদস্যৰ লগতে মহিলা বিধান মণ্ডলীয় গোটৰ কেইবাজনো ব্যক্তি আৰু ৰাষ্ট্ৰসংঘৰ মহিলা প্ৰতিনিধি উপস্থিত থাকে। মহিলা আৰু শিশু বিকাশ মন্ত্ৰালয়ে জানিবলৈ দিয়া মতে লাইবেৰীয়াৰ এই দলটো এই মাহৰ ১৫ তাৰিখলৈকে ভাৰতত থাকি ৰাষ্ট্ৰসংঘৰ মহিলা গোটৰ সহযোগিতাৰে ভাৰত, ব্ৰাজিল তথা দক্ষিণ আফ্ৰিকাৰ ইবচা ফাণ্ডৰ সহায়ত গ্লোবেল চাউথৰ সহযোগী দেশসমূহৰ মাজত জ্ঞান বিনিময়ৰ বিভিন্ন কাৰ্যসূচী হাতত ল'ব। আলোচনাৰ সময়ছোৱাত শ্ৰীমতী দেৱীয়ে ভাৰতীয় মহিলাসকলক দেশৰ বিকাশৰ অনুঘটক বুলি অভিহিত কৰে। মন্ত্ৰালয়ে জানিবলৈ দিয়া মতে পাৰস্পৰিক আগ্ৰহৰ জৰিয়তে দুয়োপক্ষৰ সহযোগিতা বৃদ্ধিৰ ওপৰত গুৰুত্ব প্ৰদান কৰাৰ লগতে গ্লোৱেল চাউথৰ একেধৰণৰ সহযোগিতাৰ ওপৰতো গুৰুত্ব আৰোপ কৰে।

00000

কেন্দ্ৰীয় সংসদীয় পৰিক্ৰমা মন্ত্ৰী কিৰেণ ৰিজিজুৱে কংগ্ৰেছ আৰু বিৰোধী পক্ষৰ দলসমূহৰ ওপৰত অভিযোগ উত্থাপন কৰি কয়, যে চৰকাৰে ছাত্ৰ-ছাত্ৰীৰ প্ৰতিবাদ কাৰ্যসূচীৰ সন্দৰ্ভত আলোচনা কৰিবলৈ বিচাৰে যদিও বিৰোধী পক্ষই এই আলোচনাত কোনো ধৰণৰ সহযোগিতা আগবঢ়োৱা নাই। সংসদ ভৱনত অনুষ্ঠিত এখন সংবাদমেল সম্বোধন কৰি শ্ৰীৰিজিজুৱে কয়, যে চৰকাৰে কালি এই প্ৰতিবাদৰ বিষয়টোত বিতংভাৱে আলোচনা কৰাৰ বাবে দলসমূহলৈ প্ৰস্তাৱ আগবঢ়াইছিল যদিও তেওঁলোকে এই প্ৰস্তাৱ প্ৰত্যাখ্যান কৰে। তেওঁ লগতে কয়, যে গৃহমন্ত্ৰী অমিত শ্বাহে বিৰোধী পক্ষই উত্থাপন কৰা বিষয়সমূহৰ সঁহাৰি দি উত্তৰ দিবলৈ বিচাৰিছিল যদিও তেওঁলোকে সংসদৰ কাৰ্যসূচী সুকলমে পৰিচালিত হোৱাত ব্যাঘাত জন্মাইছে।

00000

সমাপ্ত